**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 04**-04-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভাৰতৰ নাগৰিকসকল বিশেষকৈ মধ্যপ্ৰাচ্যত বৰ্তমান বসবাস কৰি থকা কেৰলমৰ নাগৰিকসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বিষয়টোক বৰ্তমান চৰকাৰখনে প্ৰাধান্য দিছে।

২। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি কয়, যে কেৰলম অঞ্চলত প্ৰকৃত পৰিৱৰ্তন আনিবলৈ ইউ পি এফ সম্পূৰ্ণ সাজু হৈ উঠিছে।

৩। দেশৰ সকলো ঠাইতে পেট্ৰল, ডিজেল আৰু ৰন্ধন গেছৰ পৰ্যাপ্ত উপলভ্যতা সুনিশ্চিত কৰাৰ বাবে চৰকাৰে সৰ্বতোপ্ৰকাৰে চেষ্টা চলাই আছে বুলি পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

৪। উপ-ৰাষ্ট্ৰপতি চিপি ৰাধাকৃষ্ণনে কয়, যে এখন বিকশিত ভাৰত গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষাই আনিব পৰা পৰিৱৰ্তনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত খেলত দেলহি কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক ৬ উইকেটত পৰাস্ত কৰে।

oooo

প্ৰধানমন্ত্ৰী আৰু বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভাৰতৰ নাগৰিকসকল বিশেষকৈ মধ্যপ্ৰাচ্যত বৰ্তমান বসবাস কৰি থকা কেৰলমৰ নাগৰিকসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বিষয়টোক বৰ্তমান চৰকাৰখনে প্ৰাধান্য দিছে। এন ডি এৰ নিৰ্বাচনী প্ৰচাৰৰ অংশ হিচাপে তিৰুৱালাত আজি অনুষ্ঠিত এখন জনসভাত ভাষণ দি তেওঁ এনেদৰে উল্লেখ কৰে। শ্ৰী মোদীয়ে কয়, যে উপসাগৰীয় দেশসমূহৰ সৈতে থকা ভাৰতৰ শক্তিশালী সম্পৰ্কই এই সংকটৰ সময়ত ভাৰতীয় নাগৰিকসকলক সুৰক্ষা প্ৰদান কৰিবলৈ সমৰ্থ হৈছে। তেওঁ লগতে কয়, যে অনাগত সময়ত হ'বলগীয়া ঐতিহাসিক পৰিৱৰ্তনৰ বাবে কেৰলম বৰ্তমান সম্পূৰ্ণ সাজু আৰু ৰাজ্যখনৰ নাগৰিকসকলৰ এন ডি এৰ প্ৰতি থকা বিশ্বাস সম্পূৰ্ণৰূপে প্ৰকট হৈ পৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে মহিলা সৱলীকৰণৰ বিষয়টোক এন ডি এ চৰকাৰখনে প্ৰাথমিকতা প্ৰদান কৰি আহিছে আৰু এই দিশত বৰ্তমান চলি থকা আঁচনিসমূহৰ জৰিয়তে মহিলাসকল উপকৃত হৈছে। শ্ৰী মোদীয়ে লগতে এল ডি এফ আৰু ইউ ডি এফ দলৰ সমালোচনা কৰি কয়, যে দুয়োটা দলে ৰাজ্যখনক আওকান কৰি আহিছে। ইয়াৰ বিপৰীতে এন ডি এৰ অন্তৰ্ভুক্ত চৰকাৰখনৰ শাসন কালত ৰাজ্যখনে আগৰ চৰকাৰসমূহৰ তুলনাত পাঁচগুণ অধিক পুঁজি লাভ কৰিবলৈ সমৰ্থ হৈছে। তিৰুৱালা অঞ্চলৰ এখন ষ্টেডিয়ামত আয়োজিত এই অনুষ্ঠানত এন ডি এৰ প্ৰাৰ্থীসকল

আৰু জ্যেষ্ঠ নেতাসকলে অংগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে আজি গধূলি শ্ৰী মোদীয়ে প্ৰচাৰ অভিযানৰ অংশ হিচাপে তিৰুৱনন্তপুৰমত এটা ৰোড শ্বʼতো অংশ লʼব বুলি জানিব পৰা গৈছে।

০০০০

জ্যেষ্ঠ কংগ্ৰেছ নেতা আৰু লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে আজি অলাপ্পুঝাত উপস্থিত হৈ কয়, যে ইউ পি এফে কেৰলম অঞ্চলত প্ৰকৃত পৰিৱৰ্তন আনিবলৈ সম্পূৰ্ণ সাজু হৈ উঠিছে। তেওঁ এল ডি এফ আৰু এন ডি এৰ সমালোচনা কৰি কয় যে শাসনাধিষ্ঠিত এল ডি এফে ভোট গণানাৰ পাছত প্ৰাসংগিকতা একেবাৰেই হেৰুৱাই পেলাব। তেওঁ লগতে ইডুক্কি আৰু আৰ্নাকুলাম জিলাত উপস্থিত হৈ ইউ ডি এফৰ প্ৰচাৰ চলাই কেইবাখনো জনসভাত ৰাইজক উদ্দেশ্যি ভাষণ দি তেওঁলোকৰ উদ্দেশ্যসমূহৰ বিষয়ে জানিবলৈ দিছে। আনহাতে চি পি আই এম দলৰ সাধাৰণ সম্পাদক এম এ বেবী আৰু পুলিত ব্যুৰোৰ সদস্যা সুভাষিনী আলীয়ে এল ডি এফৰ হৈ বিভিন্ন সমষ্টিত প্ৰচাৰ চলায়।

০০০০

পুডুচেৰীৰ নিৰ্বাচনৰ দায়িত্বত থকা বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই কৈছে যে, চৰকাৰে গ্ৰহণ কৰা উন্নয়নৰ কামকাজত জনসাধাৰণে গভীৰ বিশ্বাস ৰাখিছে। মাহেত সংবাদ মাধ্যমৰ আগত ড০ মন্দাভিয়াই মাহে অঞ্চলত এন ডি এ গৰিষ্ঠ সংখ্যক আসন লাভ কৰিব বুলি আস্থা প্ৰকাশ কৰিছে আৰু পুডুচেৰীত এন ডি এ ক্ষমতালৈ আহিব বুলি আশা প্ৰকাশ কৰিছে। এন ডি এৰ প্ৰাৰ্থীৰ হৈ মন্ত্ৰীগৰাকীয়ে ঘৰে ঘৰে প্ৰচাৰ অব্যাহত ৰাখিছে।

০০০০

দেশৰ সকলো ঠাইতে পেট্ৰল, ডিজেল আৰু ৰন্ধন গেছৰ পৰ্যাপ্ত উপলভ্যতা সুনিশ্চিত কৰাৰ বাবে চৰকাৰে সৰ্বতোপ্ৰকাৰে চেষ্টা চলাই আছে বুলি পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। চৰকাৰে ভীতিগ্ৰস্ত হৈ অনাহকতে ৰন্ধন গেছৰ চিলিণ্ডাৰ ক্ৰয় আৰু বুকিং নকৰিবলৈ জনসাধাৰণক পৰামৰ্শ দিছে। মন্ত্ৰালয়ে লগতে পেট্ৰলিয়ামজাত সামগ্ৰী আৰু ৰন্ধন গেছৰ অবিৰত উপলভ্যতা সুনিশ্চিত কৰাৰ বাবে সক্ৰিয় ব্যৱস্থা গ্ৰহণ কৰা বুলি জানিবলৈ দিছে। এনে ব্যৱস্থাৰ অংশ হিচাপে ৰন্ধন গেছ বিতৰকসকলৰ ওচৰত ৫ কিলোগ্ৰাম ওজনৰ চিলিণ্ডাৰ উপলব্ধ কৰোৱা হৈছে আৰু বৈধ পৰিচয়পত্ৰ দেখুৱাই এনে চিলিণ্ডাৰ ক্ৰয় কৰিব পৰা যাব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। যোৱা মাহৰ ২৩ তাৰিখৰ পৰা ৫ কিলোগ্ৰাম ওজনৰ প্ৰায় ৫ লাখ ৭০ হাজাৰ চিলিণ্ডাৰ বিক্ৰী কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ৰন্ধন গেছৰ চিলিণ্ডাৰ বিক্ৰী ৯৫ শতাংশলৈ বৃদ্ধি পাইছে আৰু কালি প্ৰায় ৫১ লাখ চিলিণ্ডাৰ প্ৰদান কৰা হৈছে। মন্ত্ৰালয়ে লগতে জনসাধাৰণক পি এন জি, ইনডাকচন, আৰু ইলেকট্ৰিক কুক টপছৰ দৰে বিকল্প ইন্ধন ব্যৱহাৰ কৰিবলৈ উদগণি দিছে।

বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰালয়ে সামুদ্ৰিক বাণিজ্যৰ ধাৰাবাহিকতা সুনিশ্চিত কৰাৰ লগতে জাহাজৰ চলাচল, বন্দৰ পৰিচালনা আৰু ভাৰতীয় নাবিকসকলৰ নিৰাপত্তাৰ বিষয়সমূহ অহৰহ নিৰীক্ষণ কৰি আছে। মন্ত্ৰালয়ে গ্ৰীন চানভি নামৰ এখন ৰন্ধন গেছ পৰিবাহী জাহাজে কালি হৰমুজ প্ৰণালী অতিক্ৰম কৰা বুলি জানিবলৈ দিছে। ৪৬ হাজাৰ ৬৫০ মেট্ৰিকটন ৰন্ধন গেছ কঢ়িয়াই অনা জাহাজখনত মুঠ ২৫ গৰাকী নাবিক আছে বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, পাৰচ্য উপসাগৰীয় অঞ্চলত বৰ্তমান ১৭ খন ভাৰতীয়

ধবজা বহনকাৰী জাহাজ আৰু ৪৬০ গৰাকী ভাৰতীয় নাবিক আছে। ২৮ ফেব্রুৱাৰীৰ পৰা প্ৰায় ৬ লাখ ৭৫ হাজাৰ যাত্ৰীয়ে বিমানযোগে অঞ্চলটোৰ পৰা স্বদেশলৈ উভতি অহা বুলি চৰকাৰে জানিবলৈ দিছে।

০০০০

অসম চৰকাৰে ৰন্ধন গেছৰ চিলিণ্ডাৰ বিতৰণৰ ক্ষেত্ৰত কিছুমান অনিময় ধৰা পৰাৰ আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত ৰন্ধন গেছৰ পাঁচটা বিতৰক সংস্থাৰ অনুজ্ঞা-পত্ৰ ততালিকে কাৰ্যকৰী হোৱাকৈ সাময়িকভাৱে বাতিল কৰিছে। পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে তেল বিপণন কোম্পানীসমূহৰ সহযোগত ৰাজ্যিক আৰু জিলা পৰ্যায়ত ৰন্ধন গেছৰ যোগানৰ বিষয়টো নিৰীক্ষণ কৰি আছে। ইতিমধ্যে ৰাজ্য চৰকাৰে ৰাজ্যত ঘৰুৱা ৰন্ধন গেছ পৰ্যাপ্ত পৰিমাণত উপলভ্য হৈ আছে বুলি প্ৰকাশ কৰিছে আৰু উপভোক্তাসকলে ১০০ শতাংশই গেছৰ চিলিণ্ডাৰ লাভ কৰিব।

ইণ্ডিয়ান অইল কৰ্প'ৰেচনে এটা বিবৃতিত প্ৰকাশ কৰা মতে ঘৰুৱা ৰন্ধন গেছৰ যোগান অব্যাহত আছে আৰু প্ৰতিদিনে প্ৰায় ২৮ লাখ ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰ যোগান ধৰা হৈছে। অসমলৈ প্ৰতিদিনে প্ৰায় ১ লাখ ৰন্ধন গেছৰ চিলিণ্ডাৰ যোগান ধৰা হৈছে বুলি বিবৃতিটোত উল্লেখ কৰা হৈছে। চিলিণ্ডাৰ বুকিঙৰ ক্ষেত্ৰত গ্ৰাহকসকলক এছ এম এছ আৰু আই ভি আৰ এছৰ দৰে ডিজিটেল মাধ্যম ব্যৱহাৰ কৰিবলৈ কোৱা হৈছে।

০০০০

উপ-ৰাষ্ট্ৰপতি চিপি ৰাধাকৃষ্ণনে কয়, যে এখন বিকশিত ভাৰত গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষাই আনিব পৰা পৰিৱৰ্তনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মতিহাৰীৰ মহাত্মা গান্ধী কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ তৃতীয় সমাৱৰ্তনত উপস্থিত থাকি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক জ্ঞানৰ জৰিয়তে দেশত উদ্ভৱ হোৱা প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'বলৈ আহ্বান জনায়। তেওঁ কয়, যে বৰ্তমানৰ যুৱ প্ৰজন্মই দেশৰ বৰ্তমানৰ এই অমৃত কালত স্থপতিবিদৰ দৰে নিজকে গঢ় দি ভৱিষ্যতৰ এখন সুন্দৰ ভাৰত গঢ়ি তোলাৰ ক্ষেত্ৰত অৰিহণা যোগাব পাৰে। তেওঁ লগতে কয়, যে যুৱ শক্তিয়ে ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন বিকশিত দেশ হিচাপে গঢ় দিয়াৰ বাবে উল্লেখযোগ্য ভূমিকা পালন কৰিব পাৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে সেৱাৰ মনোভাৱেৰে ছাত্ৰ-ছাত্ৰীসকলক উদ্ভাৱন আৰু নেতৃত্বৰ দিশত আগবাঢ়ি যাবলৈ আহ্বান জনায়। তেওঁ মহাত্মা গান্ধীৰ বিষয়ে উল্লেখ কৰি বিশ্ববিদ্যালয়খনৰ সৈতে সংলগ্ন হৈ থকা জাতিৰ পিতাজনৰ নামেৰে উদ্বুদ্ধ হৈ তেওঁৰ সত্য, অহিংসা আৰু আত্মনিৰ্ভৰশীলতা গুণেৰে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ পেছাগত জীৱনত আগবাঢ়ি যাবলৈও আহ্বান জনায়। সমাৱৰ্তনৰ এই অনুষ্ঠান সামৰি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে পশ্চিম চম্পাৰন অঞ্চলত অৱস্থিত ঐতিহাসিক ভিটিহাৰ্বা গান্ধী আশ্ৰম পৰিদৰ্শন কৰি মহাত্মা গান্ধীলৈ শ্ৰদ্ধা নিবেদন কৰে।

০০০০

দাদৰা আৰু নগৰ-হাভেলীৰ দাদৰা অঞ্চলৰ এটা গুডামত সংঘটিত চিলিণ্ডাৰ বিস্ফোৰণৰ এটা ঘটনাত ৪ জন লোক নিহত হোৱাৰ লগতে আন চাৰিজন লোক আহত হয়। আজি পুৱা নাইট্ৰ'জেন আৰু অক্সিজেন চিলিণ্ডাৰ মজুত কৰি থকাৰ সময়তে এই বিস্ফোৰণ সংঘটিত হয়।

০০০০

আফগানিস্তানৰ উত্তৰ অঞ্চলত হোৱা এটা ভূমিকম্পত ৮ জন লোকৰ মৃত্যু হয়। আফগানিস্তানৰ ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ মুখপাত্ৰ মহম্মদ হামাদে জনাইছে যে, ৰিখটাৰ স্কেলত ৫ দশমিক ৯ প্ৰাবল্যৰ এই ভূমিকম্পৰ ফলত কাবুল অঞ্চলৰ এটা বাসগৃহ ভাঙি পৰাৰ ফলত এই ঘটনা সংঘটিত হয়।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত খেলত দেলহি কেপিটেলছে মুম্বাই ইণ্ডিয়ানছক ৬ উইকেটত পৰাস্ত কৰে। ১৬৩ ৰাণৰ বিজয় লক্ষ্যৰে খেলি দেলহি কেপিটেলছে ৪টা উইকেটৰ বিনিময়ত ১৮ অভাৰ এটা বলত ১৬৪ ৰান কৰে। দেলহি কেপিটেলছৰ হৈ এছ ৰিজভিয়ে সৰ্বাধিক ৯০ ৰান কৰাৰ বিপৰীতে পি নিশাংকাই ৪৪ ৰানৰ বৰঙণি আগবঢ়াই।

ইপিনে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আজি হ'বলগীয়া আন এখন খেলত গুজৰাট টাইটানছ আৰু ৰাজস্থান ৰয়েলছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ